# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৯ অক্টোবৰ ২০২১ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

## আঁ-হজৰত (ছাঃ)ৰ সৰ্বোত্তম মৰ্যদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে বৰ্ণনা

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔الرَّحْمٰنِ الرَّحِيْمِ۔مٰلِكِ يَوْمِ الدِّيْنِ۔اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁ-হজৰত (ছাঃ)য়ে যি দহ জন সদস্যক জান্নাতৰ সু-সংবাদ দিছিল তাৰ মাজত হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ বাহিৰে হজৰত আবু বক্কৰ (ৰাঃ),হজৰত উচমান (ৰাঃ),হজৰত আলি (ৰাঃ),হজৰত তালহা (ৰাঃ),হজৰত জুবেৰ (ৰাঃ),আব্দুৰ ৰহমান বিন অউফ (ৰাঃ),ছাআদ বিন আবি ওকাছ (ৰাঃ),ছঈদ বিন জায়েদ (ৰাঃ) আৰু আবু উবেয়দা বিন জাৰাহ (ৰাঃ) অন্তৰ্ভুক্ত। হজৰত আবু মুছা (ৰাঃ)য়ে বয়ান কৰিছে যে মই নবী কৰিম (ছাঃ)ৰ সৈতে মদিনাৰ এখন বাগিছাত আছিলো তাতে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)আহে তেতিয়া আঁ-হজৰত (ছাঃ)ৰ হিদায়ত মতে মই তেওঁক বেহেস্তৰ শুভ সংবাদ দিওঁ যাৰ ফলত সিহঁতে **আলহামদুলিল্লাহ** কয়; কিন্তু হজৰত উচমান (ৰাঃ)ৰ বিষয়ে আঁ-হজৰত (ছাঃ)য়ে কৈছে যে তেওঁৰ ওপৰত এক বিপদ অহা সত্ত্বেও তেওঁক বেহেস্তৰ সু-সংবাদ দিওঁ; তেতিয়া হজৰত উচমান (ৰাঃ)য়েও **আলহামদুলিল্লাহ** কয়। তাৰ পিছত আকৌ কয়, বিপদৰ পৰা সুৰক্ষা কেৱল আল্লাহৰ পৰাই সহায় বিচাৰিহে পাব পাৰে।

হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ)য়ে কৈছে এবাৰ মই শুই থকা অৱস্থাত নিজকে বেহেস্তৰ এটা মহলত দেখিবলৈ পাওঁ,সুধাৰ পিছত জানিব পৰা গ'ল যে এই মহল হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ হয়। তেওঁৰ সন্মানৰ কথা ধাৰণা হওঁতেও মই তাৰ পৰা গুচি আহো। এই কথা শুনাৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে কান্দি থাকে আৰু কয়, হে ৰছুলুল্লাহ (ছাঃ)! মই আপোনাৰ গৌৰৱ কৰিম।আপুনি কিয় গুচি আহিছে কল্যাণমণ্ডিত প্ৰদান হওঁক। হজৰত আবু ছঈদ খুদৰি(ৰাঃ)য়ে ৰিৱায়ত কৰিছে যে নবী কৰিম (ছাঃ)য়ে কৈছে ইল্লিয়িনসকলৰ মাজৰ পৰা কোনো ব্যক্তিয়ে বেহেস্তবাসী সকললৈ উকি চাব, তেতিয়া সিহঁতৰ চেহেৰাৰ বাবে বেহেস্ত উজ্জ্বলিত হৈ উঠিব। হজৰত আবু বক্কৰ (ৰাঃ)আৰু হজৰত উমৰ (ৰাঃ)য়েও সেইসকলৰ মাজৰেই হয়। হজৰত আনছ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)আৰু হজৰত উমৰ (ৰাঃ) আম্বিয়া আৰু মুৰছালিমৰ বাহিৰে বেহেস্তৰ প্ৰাথমিক আৰু শেষৰ সকলোবিলাক ডাঙৰ

মানুহৰ চৰ্দাৰ হয়।

হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বয়ান কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে উমৰ বিন খাত্তাব জান্নাতবাসীৰ বাতি হয়।

হজৰত উকবা বিন আমিৰ (ৰাঃ)য়ে বয়ান কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে-যদি মোৰ পিছত কোনো নবী হ'ল হয় তেন্তে উমৰ বিন খাত্তাব (ৰাঃ) হ'ল হয়। হজৰত আয়েশা (ৰাঃ) আৰু হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে মোৰ উম্মতৰ ভিতৰত যদি কোনো মুহাদ্দিছ আছে সেইজন উমৰ বিন খাত্তাব (ৰাঃ) হয়। মুহাদ্দিছ সেইজন হয় যাৰ ওপৰত অধিক পৰিমাণে ইলহাম আৰু দিব্য দৰ্শন হয়।আকৌ কৈছে- তোমাৰ পূৰ্বে যিসকল বনি ইস্রাইল হৈছে সিহঁতৰ মাজত এনেকুৱা মানুহ অন্তৰ্ভুক্ত হৈছে যিসককলৰ সৈতে আল্লাই কালাম (বাৰ্তালাপ) কৰিছিল কিন্তু সিহঁত নবী নাছিল; যদি মোৰ উম্মতত‌ও সেইসকলৰ অন্তৰ্গত কোনোবা হ'ল হয় সেইজন হজৰত উমৰ (ৰাঃ) হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে খোদা তা'লা সদায় ৰূপক হিচাপে কাম লৈছিল আৰু প্ৰকৃতি,বিশেষতা আৰু প্ৰতিভা হিচাপে এজনৰ নাম আনৰ ওপৰত ৱাৰিদ হয়। এটা হাদীছ অনুযায়ী যি ব্যক্তিৰ আধ্যাত্মিক অৱস্থা হজৰত উমৰ (ৰাঃ)ৰ নিচিনা হৈ গৈছে তেওঁ প্ৰয়োজনীয় সময়ৰ মুহাদ্দিছ হ'ব। গতিকে সেই আজিজৰো এবাৰ ইলহাম হৈছিল যে انت محدث الله۔ فيك مادة فاروقية যে অৰ্থাৎ তুমি আল্লাহৰ মুহাদ্দিছ হয় তোমাৰ মাজত মাদাফাৰুকি (ফাৰুকৰ গুণ) আছে।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ যুগত ইয়ামামাৰ যুদ্ধত যেতিয়া সত্তৰ জন কোৰাণৰ হাফিজ শ্বহিদ হয় তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কোৰাণৰ সুৰক্ষা আৰু তদবিনৰ বাবে পৰামৰ্শ আগবঢ়ায় আৰু আকৌ জায়েদ বিন ছাবিত (ৰাঃ)য়ে সম্পাদনাৰ কাম আৰম্ভ কৰে। হজৰত উমৰ (ৰাঃ)ক কোৰাণ কৰিম মুখস্থ কৰাৰ বিষয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত উবেয়দা (ৰাঃ)য়ে কৈছে যে ৰছুলুল্লাহ (ছাঃ)ৰ মুহাজিৰিণ চাহাবা সকলৰ মাজত আবু বক্কৰ (ৰাঃ),উমৰ (ৰাঃ),উচমান (ৰাঃ),আলি (ৰাঃ),ছাঈদ (ৰাঃ),ইবনে মাছুদ (ৰাঃ),হুজাইফা (ৰাঃ),ছালিম (ৰাঃ),আবু হুৰাইৰা (ৰাঃ),আব্দুল্লাহ বিন ছাইব (ৰাঃ),আব্দুল্লাহ বিন উমৰ (ৰাঃ)আৰু আব্দুল্লাহ বিন আববাছ (ৰাঃ)ৰ হাফিজ প্ৰমাণিত হয়।

আঁ-হজৰত (ছাঃ)ৰ কিছুমান ওহী হজৰত উমৰ (ৰাঃ)ৰ অভিযোজনৰ কাৰণে হৈছিল। ছিহা ছিত্তাৰ ৰিৱায়তৰ পৰা হজৰত উমৰ (ৰাঃ)ৰ তিনিটা কথাত অভিযোজনৰ উল্লেখ পোৱা যায়; যদি আমি ছিহা ছিত্তাৰ এই ৰিৱায়তসমূহ একেলগে চাও তেতিয়া সেইবোৰৰ সংখ্যা হয় সাত। ছহী বুখাৰীত হজৰত উমৰ (ৰাঃ)ৰ পৰা বৰ্ণিত যে হজৰত উমৰ (ৰাঃ)য়ে কৈছে তিনিটা কথাত মোৰ ৰায় মোৰ প্ৰভুৰ ইচ্ছা অনুযায়ী হয়। মই কৈছো হে ৰছুলুল্লাহ (ছাঃ)! যদি আমি মকামে ইব্ৰাহিমক নমাজৰ ঠাই বনাই লও তেতিয়া আয়াত وَاتَّخِذُوْا مِنْ مَّقَامِ اِبْرٰهٖمَ مُصَلًّى অৱতীৰ্ণ হয় আৰু মই কলো ইয়া ৰছুলুল্লাহ ! যদি আপুনি নিজৰ স্ত্ৰীসকলক পৰ্দা কৰাৰ আদেশ দিয়ে কাৰণ তেখেতহঁতৰ সৈতে ভাল বেয়া কথাৰ আলোচনা হয়; তেতিয়া পৰ্দাৰ আয়াত অৱতীৰ্ণ হয়। আকৌ নবী কৰিম (ছাঃ)ৰ স্ত্ৰীসকলে আঁ-হজৰত (ছাঃ)ৰ বিষয়ে গায়ৰত কৰিলে তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কয় মই সেইসকল স্ত্ৰীসকলক যিসকলৰ মাজত তেখেতৰ ছোৱালীও আছিল যে যদি তোমাক তালাক দিয়ে তেতিয়া তেখেত (ছাঃ)ৰ প্ৰভুৱে তোমাতকৈ উন্নত ধৰণৰ স্ত্ৰী প্ৰদান কৰিব। তাৰ ওপৰত

এই আয়াত অৱতীৰ্ণ হয়

عَسٰی رَبُّهٗ اِنْ طَلَّقَكُنَّ اَنْ یُّبْدِلَهٗ اَزْوَاجًا خَیْرًا مِّنْكُنَّ

অৰ্থাৎ যদি তেখেতে তোমাক তালাক দিয়ে তেন্তে তেখেতৰ প্ৰভু তোমাৰ পৰিৱৰ্তে তেখেতৰ বাবে তোমাতকৈয়ো শ্ৰেষ্ঠ স্ত্ৰী প্ৰদান কৰিব। ছহী মুছলিমত হজৰত উমৰ (ৰাঃ)ৰ মুনাফিকিনৰ জানাজা নপঢ়াৰ বিষয়ে কোৰাণৰ ওহীৰ পৰা উল্লেখ পোৱা যায়। সুৰা অবৈধৰ বিষয়ে হজৰত উমৰ (ৰাঃ)ৰ কোৰাণৰ ওহীৰ সৈতে মিল থকাৰ উল্লেখ ছুনন তিৰমিজিত পোৱা যায়। ছিহা ছত্তাত উল্লেখিত মিল থকাৰ বাহিৰেও ছিৰত নিগাৰোৱে কেইবাটাও মিল থকাৰ কথা উল্লেখ কৰিছে। অৰ্থাৎ আল্লামা ছিউতিয়ে ২০ তকৈ অধিক মিল থকাৰ উল্লেখ পোৱা যায়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে হজৰত উমৰ (ৰাঃ) চাহাবাসকলৰ মৰ্যাদাত ইমানেই উৎকৃষ্ট যে কেতিয়াবা তেখেতৰ ৰায় মতেই কোৰাণ কৰিমৰ আয়াত অৱতীৰ্ণ হৈছিল। আৰু তেওঁৰ পক্ষত এই হাদীছ আছে যে চয়তান হজৰত উমৰ (ৰাঃ)ৰ ছাঁ দেখি গুচি যায়। অইন ঠাইত এই হাদীছ আছে যে মোৰ পিছত যদি কোনোবা নবী হ’ল হয় তেন্তে উমৰ (ৰাঃ) হ’ল হয়। তৃতীয় এই হাদীছ আছে যে প্ৰাথমিক উম্মতত মুহাদ্দিছ হৈ থাকিছে, যদি এই উম্মতত কোনো মুহাদ্দিছ হ’লহেঁতেন তেন্তে উমৰ (ৰাঃ) হ’লহেঁতেন।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে আল্লাহ তা’লাই এজন চাহাবা আব্দুল্লাহ বিন জায়েদ (ৰাঃ)ক ওহীৰ মাধ্যমে আজান শিকাইছে। হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে মোকো খোদা তা’লাই এই আজান শিকাইছিল কিন্তু ২০ দিনলৈকে মই নীৰৱ আছিলো এয়া ধাৰণা কৰি যে অইন এজন ব্যক্তি ৰছুলে কৰিমৰ (ছাঃ)ৰ ওচৰত বৰ্ণনা  কৰে যেন। ছুনন তিৰমিজিৰ এটা ৰিৱায়ত আছে যে হজৰত উমৰ (ৰাঃ)য়ে যেতিয়া নবী কৰিম (ছাঃ)ক নিজৰ সোপন বয়ান কৰে তেতিয়া তেখেত (ছাঃ)য়ে কয় যে এই কথা বেছি নিৰ্ভৰযোগ্য এই কাৰণে এয়া অধিক সত্যায়ন হৈ গৈছে।

হজৰত ৰছুলে কৰিম (ছাঃ)ৰ সন্মান কেনেদৰে কৰিছিল এই বিষয়ে হজৰত ইবনে উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ইবনে উমৰ (ৰাঃ)য়ে ৰছুলে কৰিম (ছাঃ)ৰ সৈতে কোনো ভ্ৰমণত আছিল আৰু হজৰত উমৰ (ৰাঃ) এটা উটৰ ওপৰত আৰোহণ কৰি আছিল যি শক্তিশালী আছিল আৰু নবী কৰিম (ছাঃ)ৰ উটৰ আগতেই আগবাঢ়ি  গৈ আছিল আৰু তেওঁৰ দেউতা হজৰত উমৰ (ৰাঃ)য়ে তেওঁক কৈছিল যে আব্দুল্লাহ ! নবী কৰিম (ছাঃ)তকৈ আগত কোনোবাই যোৱা উচিত নহয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এবাৰ হজৰত উমৰ (ৰাঃ)য়ে ৰছুলে কৰিম (ছাঃ)ৰ ঘৰত যায় আৰু দেখিবলৈ পায় যে পাটীত শুই থকাৰ কাৰণে পাটীৰ চিহ্ন তেখেত (ছাঃ)ৰ পিঠিত উঠিছে। হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে কেয়ছৰ আৰু কিছ্ৰা আৰামৰ জীৱন-যাপন কৰি আছে আৰু তেখেত (ছাঃ)কষ্টৰ জীৱন। তেখেত (ছাঃ)য়ে কৈছে যে মোৰ পাৰ্থিৱতাৰ সৈতে কি কাম। মোৰ উদাহৰণ সেই ছোৱাৰীৰ নিচিনা যিয়ে কঠোৰ গৰমৰ সময়ত এটা উটৰ ওপৰত আৰোহণ কৰি আছে আৰু যেতিয়া দুপৰীয়াৰ প্ৰচণ্ড তাপত তেওঁক বৰ কষ্ট হয় তেতিয়া তেওঁ সেই আৰোহণ অৱস্থাতেই নিশ্বাস লোৱাৰ বাবে এটা গছৰ তলত অৱস্থান কৰে আৰু কিছু সময় পিছত সেই গৰমত নিজৰ বাট ধৰে।

এবাৰ হজৰত উমৰ (ৰাঃ)য়ে নবী কৰিম (ছাঃ)ৰ পৰা উমৰা কৰাৰ অনুমতি বিচাৰে তেতিয়া তেখেত (ছাঃ)য়ে  অনুমতি প্ৰদান কৰি কয় যে,হে মোৰ ভাই ! আমাক দোৱাত স্মৰণ ৰাখিব। হজৰত উমৰ (ৰাঃ)য়ে কয়

যে এয়া এনেকুৱা বাক্য হয় যে যদি মোৰ ইয়াৰ বিনিময়ত গোটেই দুনিয়া প্ৰাপ্ত কৰো তথাপি ইমান আনন্দ নহ’ম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে আঁ-হজৰত (ছাঃ)ৰ মৃত্যুত হজৰত উমৰ (ৰাঃ)ৰ ধাৰণা উপজে যে তেখেত (ছাঃ) জীৱিত আছে আৰু তেখেত দ্বিতীয়বাৰ আগমন কৰিব আৰু তেখেত (ৰাঃ)য়ে সেই ব্যক্তিৰ ডিঙি কাটি পেলাব যিয়ে ইয়াৰ বিপৰীত ক’ব। কিন্তু যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে সকলো চাহাবা সকলৰ সন্মুখত এই আয়াত পাঠ কৰে وَمَا مُحَمَّدٌ اِلَّا رَسُوْلٌ قَدْ خَلَتْ مِنْ قَبْلِهِ الرُّسُلُ তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কয় যে মোৰ ভৰি কঁপি উঠিল আৰু মই দুঃখিত হৈ মাটিত পৰি যাওঁ। অৰ্থাৎ যদি কোনো নবী জীৱিত থাকিল হয় তেন্তে এই দলিল সঠিক নাছিল নে ? হজৰত উমৰ (ৰাঃ)য়ে ক’ব পাৰিলেহেঁতেন যে মছীহ আকাশত জীৱিত বহি আছে আৰু আঁ-হজৰত (ছাঃ) কিয় জীৱিত থাকিব নোৱাৰে কিন্তু সকলোবিলাক চাহাবৰ নীৰৱতাই এই কথা প্ৰমাণিত কৰে যে হজৰত মছীহ মৃত্যু বৰণ কৰিছে।

হজৰত উমৰ (ৰাঃ)য়ে ৰছুলে কৰিম (ছাঃ)ৰ পৰিপূৰ্ণ অনুকৰণ কৰিছিল। **হাজৰে আছৱাদক** কৈছিল যে যদি মই নবী কৰিম (ছাঃ)ক চুমা দিওঁতে নেদেখিলোঁহেঁতেন তেন্তে মই সেয়া কেতিয়াও নকৰিলোঁহেঁতেন। ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া কয়েদীসকলক স্বাধীন কৰে তেতিয়া হজৰত উমৰ (ৰাঃ)য়েও এজনী ছোৱালী কয়েদীক তৎক্ষণাত স্বাধীন কৰি দিয়ে। ৰছুলে কৰিম (ছাঃ)য়ে কপটতাসকলৰ এটা জমাতৰ নাম লৈ হজৰত হুজাইফা (ৰাঃ)ক কয় যে মোক এই ব্যক্তিৰ নামাজে জানাজা পঢ়িবলৈ নিষেধ কৰা হৈছে। অৰ্থাৎ হজৰত উমৰ (ৰাঃ)নিজৰ খলিফাৰ যুগত কেৱল সেই ব্যক্তিৰ নামাজে জানাজা আদায় কৰিছে যাৰ হজৰত হুজাইফা (ৰাঃ)য়ে পঢ়িছে ইয়াৰ বাহিৰে অইন জানাজা নমাজ ত্যাগ কৰিছে। হজৰত উমৰ (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যতবাণীক বাহ্যিক ৰূপত পূৰ্ণ কৰাৰ বাবে কিছৰাৰ ৰিং এজন চাহাবাক পিন্ধাই দিয়ে।

হজৰত জয়নাল আবেদিন ওলীবুল্লাহ শ্বাহ চাহাবে আঁ-হজৰত (ছাঃ)ৰ এটা দিব্য দৰ্শনৰ পৰা প্ৰমাণিত কৰে যে দুনিয়াৰ বিজয় আৰু মৰ্যাদা যি মুছলমানসকলক হজৰত উমৰ (ৰাঃ)ৰ মাধ্যমে সৌভাগ্য প্ৰদান হৈছে সেই শিক্ষা নবী কৰিম (ছাঃ)ৰ বৈ যোৱা এক অংশ হয় যি হজৰত উমৰ (ৰাঃ)ক আঁ-হজৰত (ছাঃ)ৰ পৰা প্ৰাপ্ত হৈছিল। হজৰত মালিক বিন আগুৱাল (ৰাঃ)ৰ পৰা বৰ্ণিত যে হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে নিজকে যাচাই কৰি লোৱা তাৰ আগতেই যে তোমাৰ হিচাব-নিকাচ হয়। নিজৰ প্ৰবৃত্তিক জোখা তাৰ আগতেই যে তোমাৰ প্ৰবৃত্তিক জোখা হ’ব। আৰু অধিক উত্থাপিত হোৱাৰ বাবে প্ৰস্তুত থাকা। হজৰত আনছ বিন মালিক (ৰাঃ)য়ে বয়ান কৰিছে যে মই হজৰত উমৰ (ৰাঃ)ক সেই সময়ত দেখিছো যেতিয়া তেখেত (ৰাঃ)য়ে আমিৰুল মোমিনিন আছিল যে তেখেত (ৰাঃ)ৰ কান্ধৰ মাজত কামিজৰ (কুৰ্তাৰ) চাৰিটা পেবন্ধ আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই উল্লেখ আগলৈ চলি থাকিব। ইনশা আল্লাহ-

হুজুৰ আনোৱাৰ (আইঃ)য়ে শেষত ডাক্টৰ তাছিৰ মুজতাবা চাহাব (ফজলে উমৰ হাস্তাপতাল) ৰাবৱাৰ মৃত্যুত তেওঁৰ উন্নীত মৰ্যাদাৰ কথা উল্লেখ কৰি তেওঁৰ জমাতী সেৱা আগবঢ়াৰ কথাও উল্লেখ কৰে আৰু জুমাৰ পিছত নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئٰاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 29 Oct 2021**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**